بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## পদবীদাৰী সকলৰ কৰণীয় কৰ্তব্য আৰু দায়িত্ব সম্পৰ্কে বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৮ আগষ্ট ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আল্লাহ তা'লা কোৰাণ কৰিমত উল্লেখ কৰিছে যে নিশ্চয় এয়া আল্লাহ তা'লাৰ আদেশ যে আমানত তাৰ যোগ্যবান ব্যক্তিৰ ওপৰত অৰ্পন কৰা। এটা হাদীছত আঁহজৰত (ছাঃ)য়ে কৈছে কোনো ধৰণৰ পদবী অথবা স্থান বা ক্ষমতা য'ত লোকৰ সমস্যা সম্পৰ্কে পৰ্যালোচনা বা দেখাৰ অধিকাৰ হয়, তেন্তে বুজি লোৱা সেয়াই এক আমানত। গতিকে এই হিচাপে আমাৰ জামাতৰ নিজামতও প্ৰত্যেকটো পদ অথবা খিদমত এটা এটা আমানত।

আমাৰ জামাতি নিজামৰ প্ৰত্যেক প্ৰত্যেক বিভাগত পদ চম্ভালিবলৈ লোকক নিৰ্বাচিত কৰা হয়। গতিকে আল্লাহ তা'লাৰ আদেশ হ'ল যে যেতিয়াই তোমালোকে এই উদ্দেশ্যে নিৰ্বাচন কৰিবা তেতিয়া এইখিনি কথা মনত ৰাখিবা যে নিৰ্বাচিত হোৱা লোকজন যেন আমানতৰ হ'ক আদায় কৰোঁতা হয়।

নিৰ্বাচনৰ ক্ষেত্ৰত আত্মীয়তাক প্ৰাধান্য দিয়া উচিত নহয়। মাজে সময়ে কিছুমান পদবীদাৰক মৰকজৰ ফালৰ পৰা নাইবা যুগৰ খলিফাৰ ফালৰ পৰা নিযুক্তি দিয়া হয়। এই খিনিতে এয়াই চেষ্টা কৰিব লাগিব যে বহুত ভৱা চিন্তা কৰি যিজন উত্তম ব্যক্তি বুলি বিবেচিত হয় তাকে নিযুক্ত কৰিব লাগিব। কিন্তু কেতিয়াবা এনে ক্ষেত্ৰত ভুল হোৱাৰও সম্ভাৱনা থাকে নাইবা পদ লাভ কৰাৰ পিছত মানুহৰ মন মস্তিষ্কৰ সলনি ঘটে আৰু বিনয়ী,নিস্বাৰ্থ আৰু পৰিশ্ৰমেৰে কাম কৰাৰ আগ্ৰহ নষ্ট হৈ যায়। যিয়েই নহওঁক আমি দোৱাৰে সৈতে নিজৰ মাজৰ পৰা এজন সৎপৰায়ণ ব্যক্তিক নিৰ্বাচন কৰাৰ চেষ্টা কৰিব লাগিব। সাধাৰণতে দেখিবলৈ পোৱা যায় যে কিছুমানে পদ লাভৰ বাবে ইচ্ছুক আৰু চেষ্টাও কৰি থাকে তেনেকুৱা লোকক খিদমতৰ দায়িত্ব অৰ্পন নকৰাই ভাল। তথাপি যদি কেনেবাকৈ এনেকুৱা

লোকৰ নাম মনোনীত হৈ আছে তেন্তে মৰকজৰ ফালৰ পৰা বা যুগৰ খলিফাৰ ফালৰ পৰা তেনে লোকৰ অৱস্থা জনা থাকিলে অনুমতি দিয়া নহয়।

এই পন্থা হুজুৰ (ছাঃ)ৰ নিৰ্দেশ অনুযায়ী অৱলম্বন কৰা হয়। এবাৰ দুজন লোকে আঁহজৰত (ছাঃ)ৰ ওচৰত আহি আবেদন জনায় যে অমুক খিদমতৰ দায়িত্ব আমাৰ ওপৰত ন্যস্ত কৰা যাওঁক, আমি ইয়াৰ বাবে যোগ্য। তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল যে যাৰ ওপৰত মই খিদমতৰ দায়িত্ব অৰ্পন কৰো আল্লাহ তা'লা তাক সহায় কৰি থাকে। যিজনে নিজে আগ্ৰহী হৈ কোনো কামৰ দায়িত্ব নিজে লৈ লয় আল্লাহৰ ফালৰ পৰা তেওঁ কোনো সহায় নেপায়। তাৰ কামত কোনো বৰকত নিহিত নহয়। গতিকে নিজে নিজে কেতিয়াও পদ লাভৰ ইচ্ছা প্ৰকাশ কৰা উচিত নহয়। কিন্তু দ্বীনৰ খিদমত কৰাৰ আগ্ৰহ থকা উচিত, সেয়া যেনেকৈয়ে সম্ভৱ কৰি যোৱা উচিত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই বছৰ কিছুমান দেশত জেলি তনজিমৰ নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া আছে। সেই তনজিমৰ সদস্য সকলৰ মাজৰ পৰা যিসকলে নিৰ্বাচন কমিটিৰ সদস্য হ'ব তেওঁলোকৰ বাবে কৰণীয় কৰ্তব্য হ'ব যে আল্লাহ তা'লাৰ আদেশ অনুযায়ী দোৱা আৰু ন্যায় বিচাৰৰ সৈতে নিজৰ ৰায় প্ৰদানৰ হ'ক আদায় কৰিব।

ইয়াৰ লগতে মই প্ৰত্যেক পদবীদাৰ সকলক তেওঁলোকৰ নিজৰ নিজৰ দায়িত্ব সম্পৰ্কে মনত পেলাই দিব বিচাৰো। পদবীদাৰ সকলে সদায় মনত ৰখা উচিত যে আল্লাহ তা'লা আমাক খিদমত কৰাৰ সৌভাগ্য দান কৰিছে। গতিকে সকলো ধৰণৰ স্বাৰ্থ জলাঞ্জলি দি আমি খিদমতৰ দায়িত্ব পালন কৰিব লাগিব। কিছুমান পদবীদাৰ সকলৰ আচাৰ আচাৰণত বিনয়,ভদ্ৰতা নোহোৱাৰ অভিযোগ উত্থাপিত হৈ থাকে। ইমানলৈ গৈ পায় যে কিছুমানে পদবীদাৰৰ বিৰুদ্ধে লিখিত অভিযোগ আহি থাকে যে তেওঁলোকে হেনো ছালামৰ উত্তৰ পৰ্যন্ত নিদিয়ে। এনেকুৱা আচৰণৰ লোক সকলে নিজকে সংশোধন কৰি লোৱা উচিত আৰু ল'ৰা বুঢ়া সকলোৰে সৈতে নম্ৰ ব্যৱহাৰ দেখুৱা অত্যন্ত জৰুৰী। মই নচিহত কৰো যে আপোনালোকক জামাতৰ খিদমতাৰ্থে নিয়োজিত কৰা হৈছে, কোনো ৰাজ বিষয়া সদৃশ ভয় প্ৰদৰ্শনাৰ্থে নিয়োগ কৰা হোৱা নাই। নিজৰ হৃদয়ত বিনয়ী ভাৱৰ জন্ম দিয়ক আৰু যি সম্পৰ্কে দায়িত্ব অৰ্পন কৰা হৈছে তাৰ প্ৰাপ্য হক আদায় কৰিবলৈ চেষ্টা কৰক। নিজৰ সম্পূৰ্ণ দক্ষতা নৈপুণ্যতাৰে এই খিদমত উত্তম ভাৱে সমাধা কৰিবলৈ চেষ্টা কৰিব লাগিব। হৃদয়ত এনেকুৱা ভাৱ চিন্তাৰ উদয় হ'লেহে শুদ্ধ ভাৱে কাম কৰাৰ মানসিকতায় জন্ম ল'ব। তেতিয়াহে জামাতৰ সদস্য বৃন্দৰ সহযোগ আপোনালোকৰ লগত থাকিব। অধিকাংশ পদবীদাৰ সকলে অভিযোগ কৰি থাকে যে কিছু কিছু ক্ষেত্ৰত জামাতৰ সদস্য সকলে সহযোগ নকৰে। যিয়েই নহওঁক এনে ক্ষেত্ৰত জামাতৰ সদস্য বৃন্দৰও বিশেষ দায়িত্ব আছে যে যি সকল লোকক তেওঁলোকে বাছি লৈছে তেওঁলোকৰ লগত সহযোগ কৰিব লাগিব, আগুৱাই যাব লাগিব। কিন্তু ইয়াতে পদবীদাৰ সকলে নিজৰ ফালৰ পৰা উত্তম আচৰণ আৰু আদৰ্শ লোকৰ আগত প্ৰতিষ্ঠিত ৰাখিব লাগিব।

যিয়েই নহওঁক বেছি বেছি ইস্তেগফাৰ, আল্লাহ তা'লাৰ হামদ ও তছবিহ কৰিব লাগিব আৰু নিজৰ অৱস্থা কি সেয়া নিৰীক্ষণ কৰাৰ প্ৰয়োজন আছে। যদি এজন চেক্ৰেটাৰীয়ে তৰবিয়ত আৰু পাঁচ সময় নামাজ ঠিকমতে নপঢ়ে তেন্তে সি কেনেকৈ বেলেগক নামাজ পঢ়িবলৈ ক'ব পাৰিব ? এনেদৰে যদি কোনো পদবীদাৰে শুদ্ধ শৰাহ চান্দা প্ৰদান নকৰে সি কেনেকৈ বেলেগক মালী কোৰবাণীৰ পৰামৰ্শ আগবঢ়াব ? যদি চেক্ৰেটাৰী সকলে তৰবিয়ত নিজৰ উত্তম আদৰ্শৰ সৈতে মৰম চেনেহৰে জামাতৰ সদস্য সকলক তৰবিয়ত কৰে তেন্তে সিহঁতে এক নৱ জাগৰণৰ জন্ম দিব পাৰিব।

প্ৰত্যেকজন পদবীদাৰে নিজৰ বিভাগৰ উন্নতি কল্পে কমপক্ষে দুই ৰাকাত নফল নামাজ প্ৰত্যহ আদায় কৰা

উচিত। যদি তৰবিয়ত বিভাগটো কাৰ্যক্ষম হৈ উঠে তেন্তে অন্যান্য বিভাগ সমূহ নিজে নিজে সত্তৰ শতাংশ লৈকে কাম কৰিবলৈ আৰম্ভ কৰিব। জেলি তনজিম বিলাকেও সকলো শ্ৰেণী বিভাগতে নিজকে নিজে সক্ৰিয় কৰি তুলিব লাগিব। পদবীদাৰ সকলে কেৱল ষ্টেজত বহিব পাৰিলেই নহয়, প্ৰত্যেকজন পদবীদাৰেই নিজকে কৰ্মী হিচাপে নিজৰ দায়িত্ব পালন কৰা উচিত। মনত ৰাখিব আঁহজৰত (ছাঃ)ৰ বাণী -সম্প্ৰদায়ৰ নেতা সম্প্ৰদায়ৰ খাদিম হয়। পদবীদাৰ সকলৰ এয়াও এটা বিশেষ দায়িত্ব তেওঁলোকে জামাতৰ সদস্য সকলৰ সৈতে নিজাববীয়া সম্পৰ্ক স্থাপন কৰিব লাগিব। তেওঁলোকৰ দুঃখ শোকৰ খবৰ ল'ব লাগিব যে নিজামে জামাত পৰস্পৰে পৰস্পৰৰ প্ৰতি সহানুভূতি আৰু দৃষ্টি ৰাখিবলৈ প্ৰতিষ্ঠা কৰা হৈছে। এইবিলাক চিন্তা ধাৰায়হে আমাক আল্লাহ তা'লাৰ নৈকট্য দান কৰিব। আল্লাহ তা'ল খিলাফতে আহমদীয়াক সদায় এনেকুৱা চুলতানে নছিৰ দান কৰক, যিসকলে নিজৰ দায়িত্ব বুজি লৈ নিজৰ কাম সম্পন্ন কৰিব পাৰে।

পদবীদাৰ সকলে মনত ৰখা উচিত যে মজলিচে আমলাৰ বৈঠকত উপস্থিত হৈ নিজৰ মতামত প্ৰকাশ কৰা আৰু ধাৰণা কৰি লোৱা যে মই মোৰ কাম সমাধা কৰিলোঁ, এয়া যথেষ্ট নহয়। লোকৰ উন্নতি কল্পে পৰিকল্পনা হাতত লোৱা আৰু সেই অনুসাৰে কাম কৰা আৰু কৰোৱা অত্যন্ত প্ৰয়োজনীয় বিষয়। যা-যোগাৰ আৰু সীমিত সা-সৰঞ্জামৰ ভিতৰতে উত্তম উপায় অৱলম্বন কৰি লোকৰ প্ৰয়োজনীয়তাৰ ফালে দৃষ্টি ৰাখিব লাগিব।

বৰ্তমান ৰিস্তা নাতা বিভাগটোত বৰকৈ চ্যালেঞ্জ আহি পৰিছে। গতিকে বহল পৰিকল্পনাৰ সৈতে কাম কৰাৰ আৱশ্যক হৈ পৰিছে। জামাতি নিজাম আৰু তনজিমবোৰে মিলি কাম কৰিব লাগিব। এই সম্পৰ্কে তৰবিয়ত বিভাগেও সক্ৰিয় হোৱাৰ প্ৰয়োজন আছে। যদি আমাৰ ডেকা চামে শুদ্ধ তৰবিয়ত প্ৰাপ্ত হয় তেন্তে আমি আঁহজৰত (ছাঃ)ৰ সেই নিৰ্দেশ সদায় আগত ৰাখোতা হ'ব পাৰিম যে নিকাহৰ সময়ত ছোৱালীৰ ধনমাল,সৌনদৰ্যতা আৰু বংশ মৰ্যাদাৰ ওপৰত তাইৰ দ্বীনি আমলক প্ৰাধান্য দিব লাগে।

উমুৰে আমা বিভাগটো বৰ গুৰুত্বপূৰ্ণ বিভাগ। সাধাৰণতে ধৰি লোৱা হয় যে এই বিভাগটোৰ কাম হ'ল লোকক দণ্ড বিহা বা লোকৰ ওপৰত কঠোৰ আদেশ জাপি দিয়া। এই বিভাগত কৰ্মৰত সকলে জানি লোৱা উচিত যে তেওঁলোকৰ কেৱল এয়াই কাম নহয়। ইখিনি কাম হ'ল তেওঁলোকৰ কামৰ এটা অংশ মাত্ৰ। কঠিন কোনো আদেশ প্ৰদান কৰা আচলতে তেওঁলোকৰ কাম নহয়। এয়া গৈ তাতেই আৱশ্যক হয় য'ত অতিকৈ প্ৰয়োজন হৈ পৰে আৰু তেতিয়াহে ইয়াক চুপাৰিশি কৰা হয়। যদি তৰবিয়ত বিভাগ সক্ৰিয় হয় তেন্তে জামাতৰ সদস্য বৃন্দৰ পাৰস্পৰিক দন্দ্ব, কাজিয়া সম্পৰ্কে উমুৰে আমাৰ বহু সমস্যা নিজে নিজে মীমাংসা হৈ যাব। উমুৰে আমাৰ কাম লোকক দণ্ড বিহা নহয় বৰং লোকক শাস্তিৰ পৰা ৰক্ষা কৰাহে। গতিকে ইয়াৰ পদবীদাৰ সকলে লোকক সদায় সমস্যাৰ পৰা দূৰত ৰখাৰ চেষ্টা কৰা উচিত।

মাজে সময়ে পদবীদাৰ সকলৰ আচাৰ-আচৰণে জামাতৰ সদস্য বৃন্দৰ মাজত নিজামে জামাতৰ বিৰুদ্ধে প্ৰতিক্ৰিয়াশীল মনোভাৱ জন্ম দিয়ে। জামাতৰ সদস্য বৃন্দক মই এয়া জনাও যে প্ৰত্যেকটো চিঠি-পত্ৰ যুগৰ খলিফাৰ দফতৰ আহি পালে সেয়া খোলা হয়,পঢ়া হয় আৰু তাৰ ওপৰত কৰিবলগীয়া সকলো কামেই সম্পন্ন কৰা হয়। যদি কোনোবাটোত অলপ পলম হয় সেয়া গৈ সেইটোৰ সম্পৰ্কীয় জামাতত পলম হয় আৰু এনেদৰে জামাতৰ সদস্য আৰু খলিফা যুগৰ খলিফাৰ মাজত পদবীদাৰ সকলৰ কাৰণে এটা দূৰত্বৰ জন্ম লয় আৰু সম্পৰ্ক বিচ্ছিন্ন হোৱাৰ উপক্ৰম হোৱা দেখা যায়।

যিসকল পদবীদাৰ সকলৰ অধীনত অভাৱগ্ৰস্ত সদস্য সকলৰ বাবে দিয়া অনুদানৰ কাম আছে, তেওঁলোকে বিশেষ ভাৱে মনত ৰখা উচিত যে নিজৰ কামখিনি কৰাত যেন অলপও পলম নহয়। আঁহজৰত (ছাঃ)য়ে কৈছে যে

যিজন ইমামে অৰ্থাৎ পদবীদাৰে দৰিদ্ৰ আৰু প্ৰাপ্য লোকৰ বাবে নিজৰ দুৱাৰ বন্ধ কৰি দিয়ে। খোদা তা'লা সেইজন পদবীদাৰৰ বাবে তাৰ প্ৰয়োজনৰ সময়ত আচমানত দুৱাৰ বন্ধ কৰি দিয়ে। গতিকে যদি এনেকুৱা চিন্তা-ভাৱনা ৰাখোতা কোনো পদবীদাৰ নাইবা তাৰ দফতৰৰ এনেকুৱা কৰ্মী আছে তেন্তে তেওঁলোকে খোদা তা'লাৰ ভয় হৃদয়ত ৰাখি লোকৰ অভাৱ প্ৰয়োজনীয়তা মোচন কৰাত সোনকালে কৰা উচিত। দৰখস্ত নি পেলাই ৰখা আৰু বহু দিনলৈকে তাৰ ওপৰত কোনো কাম নকৰা এটা ডাঙৰ অপৰাধ।

আঁহজৰত (ছাঃ)য়ে কৈছে যে তুমি যতেই নাথাকা কিয় আল্লাহ তা'লাৰ তাকওৱা অৱলম্বন কৰিবা। লোকৰ সৈতে উত্তম চৰিত্ৰ আৰু সুন্দৰ আচৰণ প্ৰদৰ্শন কৰিবা। আঁহজৰত (ছাঃ)য়ে যেতিয়া হজৰত আবু মুছা আৰু মুৱাজ বিন জবলক ইয়ামিনৰ দুটা বেলেগ বেলেগ অঞ্চলৰ প্ৰধান হিচাপে নিযুক্তি দি পঠিয়াইছিল তেতিয়া তেওঁলোকক এই বুলি নচিহত কৰিছিল যে সহজ সৰলতা বনাই ৰাখিবা, কঠোৰতা আৰু জটিলতাৰ সৃষ্টি নকৰিবা,প্ৰেম,ভাল পোৱা বিস্তাৰ কৰিবা, ঘৃণাৰ উদ্ৰেক হ'ব নিদিবা। এই নচিহত প্ৰত্যেক পদবীদাৰে নিজৰ পথ প্ৰদৰ্শন হিচাপে সদায় নিজৰ হৃদয়পটত ৰখা উচিত।

গতিকে সকলো পদবীদাৰেই এইখিনি কথা মনত ৰখা কৰ্তব্য যে আমি নিজৰ মাজত ৰুহানি সৌন্দৰ্যৰ জন্ম দিব লাগিব। আল্লাহ তা'লা আমাক ইয়াৰ বাবে তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 18 AUG 2023**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844